Total No. of Printed Pages—11

**B18–AS**

**Subject Code : 01**


Google Play
Download Now!
SEBA/HSLC পুৰণি প্ৰশ্ন কাকত
HSLC Question Paper
BELLAL HOSSAIN MONDAL©


**2018**

**ASSAMESE**

( Modern Indian Language )

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP—A** (ক—বিভাগ) আৰু **GROUP—B** (খ—বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।

অথবা

**GROUP—A** (ক—বিভাগ) আৰু **GROUP—C** (গ—বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

## Group—A

### (ক—বিভাগ)

(মূল্যাংক : ১৫)

১। তলৰ যি কোনো দুটাৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) ৰজা দুষ্মন্তই কিহৰ সন্ধানত কণ্বমুনিৰ আশ্ৰমত প্ৰৱেশ কৰিছিল ?

(খ) 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত এভুমুকি' গ্ৰন্থৰ ৰচক কোন ?

(গ) পৱিনৰ কইনাজনীৰ নাম কি ?

BELLAL HOSSAIN MONDAL

২। অতি চমুকৈ উত্তৰ লিখা : ১×২=২

(ক) (*i*) 'ফ্ৰম ভল্গা টু গংগা' কাৰ ৰচনা ?

(*ii*) প্ৰচীন কালৰে পৰা অসমদেশ কিহৰ বাবে প্ৰসিদ্ধ আছিল ?

নাইবা

(খ) (*i*) কোনখন গ্ৰন্থ প্ৰকাশৰ পিছত নিউটনৰ প্ৰতিভাৰ কথা বৌদ্ধিকমহলে গম পাইছিল ?

(*ii*) পোনতে ইৰাণৰ পাৰমাণৱিক কাৰ্যসূচীৰ মূল পৃষ্ঠপোষক কোন আছিল ?

৩। তলৰ যি কোনো দুটাৰ উত্তৰ লিখা : ২×২=৪

(ক) একোজন শিল্পীয়ে তেওঁৰ তুলিকা চালনাত কৌশল প্ৰয়োগ কৰি মানুহৰ মনত কেনে ধাৰণাৰ বিশ্বাস জন্মায় তাক বুজাই লিখা।

(খ) "এইখিনি কাম তেওঁলোকৰ কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ মাথোন।"
—কোনখিনি কাম তেওঁলোকৰ (ছাত্ৰ-ছাত্ৰীসকলৰ) কাৰ্যকৰী শিক্ষাৰ একোটি পাঠ, বুজাই লিখা।

(গ) "দিনৰ বাৰমান বজাৰ পৰা তাৰ মনত এক চিন্তাই বাহ লৈছে।"
—কাৰ মনত, কি চিন্তাই বাহ লৈছে? সেই চিন্তাৰ কাৰণ কি, খৰছি মাৰি লিখা।

৪। চমু উত্তৰ লিখা :

(ক) ‘সভ্যতা আৰু সংস্কৃতি’ শব্দ দুটাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা। ২

নাইবা

(খ) ‘‘সাধাৰণতে সকলো আৰ্টৰ মূলতে দুটা বিপৰীত পন্থাই কাম কৰা দেখা যায়।’’
—ইয়াত উল্লেখ কৰা বিপৰীত পন্থা দুটাৰ বিষয়ে লিখা।

৫। চমু উত্তৰ লিখা (যি কোনো তিনিটা) : ২×৩=৬

(ক) সোঁতৰ শতিকাৰ চিৰস্মৰণীয় ব্যক্তিজনক নিউটন বুলি কোৱাৰ কাৰণ কি?

(খ) আপেক্ষিকতাবাদ সম্পৰ্কে এটি টোকা লিখা।

(গ) জাগ্ৰছ পৰ্বতমালাৰ বিষয়ে তোমাৰ পাঠ্যপুথিৰ সহায়ত লিখা।

(ঘ) বেহেষ্ট-ই-জাহ্‌ৱাৰ লগত টেহৰাণবাসীৰ সম্পৰ্কৰ বিষয়ে লিখা।

৬। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ‘‘সৃষ্টিত সদায় এটি অনাহত ধ্বনি উঠিব লাগিছে।’’
—কথাষাৰৰ অন্তৰ্নিহিত অৰ্থটি বুজাই লিখা।

(খ) ‘‘তাৰ আকৌ নিজৰ ওপৰত খং উঠিল।’’
—কাৰ, কি কাৰণত নিজৰ ওপৰতে খং উঠিল, বুজাই লিখা।

BELLAL HOSSAIN MONDAL

৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ‘‘সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।’’
—তাৎপৰ্য বিচাৰ কৰা।

(খ) ‘‘লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল।’’
—কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল? এই ৰূপান্তৰ কিদৰে ঘটিছিল, বুজাই লিখা।

৮। তলৰ যি কোনো এটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১

(ক) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?

(খ) জিকিৰৰ ৰচক কোন?

৯। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) 'মোৰ দেশ মানুহৰ দেশ' কবিতাটোৰ কবি কোন?

(খ) হৰেকৃষ্ণ ডেকাদেৱৰ একমাত্ৰ উপন্যাসখনৰ নাম কি?

(গ) 'কাকিনী তামোল' শব্দৰ অৰ্থ কি?

১০। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ২

(ক) বৰগীতৰ লক্ষণসমূহ কি কি?

(খ) ৰঘুনাথ চৌধাৰীদেৱ কি কবি বুলি খ্যাত? তেওঁক এই আখ্যা কিয় দিয়া হৈছে?

১১। উত্তৰ লিখা : ৩×২=৬

(ক) *(i)* সহস্ৰ বয়নে যাৰ নপাৱন্ত সীমা।
অধমে জানিবো কেনে তোমাৰ মহিমা॥
—অন্তৰ্নিহিত অৰ্থটি বুজাই লিখা।

*নাইবা*

*(ii)* জিকিৰৰ বিষয়ে এটি টোকা লিখা।

BELLAL HOSSAIN MONDAL

(খ) *(i)* বাৰে বাৰে সাজিছে কাৰেং
বিশ্ব সভ্যতাৰ।
—কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্ব সভ্যতাৰ কাৰেং সজা বুলি কিহক বুজাইছে, লিখা।

*নাইবা*

*(ii)* এই কংক্ৰীটৰ হাবিখনত তেওঁক
বিচাৰি নাপালোঁ আৰু।
—ইয়াত কবিয়ে কাক বিচাৰি নোপোৱাৰ কথা কৈছে, বুজাই লিখা।

১২। তলৰ যি কোনো এছোৱা ব্যাখ্যা কৰা : ৪

(ক) স্বৰগ-মৰত সকলো ঠাইতে
উঠিছে আনন্দৰ ৰোল,
সাজোন-কাচোন ৰং ৰূপহত
গোটেই জগত ভোল।

(খ) খোদা ৰছুল লুকাই আছে নকৰা বিচাৰ।
মক্কাৰ দুৱাৰত বন্দো মাবিলা সঞ্চাৰ॥

১৩। তলৰ যি কোনো এটা কবিতাৰ মূলভাৱ লিখা : ৫

(ক) মোৰ দেশ মানুহৰ দেশ

(খ) দৃশ্যান্তৰ

১৪। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা : ২×৫=১০

(ক) তলত দিয়া যি কোনো দুটাৰ ব্যাসবাক্যসহ সমাসৰ নাম লিখা :
ত্ৰিফলা, উৰাজাহাজ, মাটিকঁঠাল, মৌচাক।

(খ) তলৰ যি কোনো দুটা শব্দৰ সন্ধি ভাঙা :
সূৰ্যোদয়, যথেষ্ট, অন্বেষণ, ভাবুক।

(গ) তলৰ জটিল বাক্যটি সৰল বাক্যলৈ পৰিবৰ্তন কৰা :
যদি পৰিশ্ৰম কৰা, তেন্তে নিশ্চয় সাফল্য লাভ কৰিবা।

(ঘ) তলৰ যি কোনো দুটা শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা :
প্ৰণাম, পৰায়ণ, ঋষভ, সুষম।

(ঙ) যথাস্থানত যতি চিহ্ন বহুওৱা :
হে ভগৱান মই বিপদত পৰিছোঁ মোক ৰক্ষা কৰা

BELLAL HOSSAIN MONDAL

(চ) তলৰ যি কোনো দুটাৰ অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা :
খাই পাত ফলা, আলাসৰ লাড়ু, ন দি ক, ভিবাই লৰ মাৰ ।

(ছ) তলৰ যি কোনো দুটা শব্দৰ বিপৰীতাৰ্থক শব্দ লিখা :
পাৰ্থক্য, দ্ৰুত, উচ্ছৃঙ্খল, স্থাৱৰ।

(জ) এটা শব্দত প্ৰকাশ কৰা (যি কোনো দুটা) :
পনীয়া গাখীৰ দিয়া গাই, যি একেলগে পঢ়ে, যাক মূল্য দি কিনিব নোৱাৰি, যাক পৰিত্যাগ কৰিব নোৱাৰি।

(ঝ) তলৰ যি কোনো দুটা শব্দত কি প্ৰত্যয় লগ লাগিছে ভাঙি দেখুওৱা :
ভাৱৰীয়া, বাটকৰা, কঁহুৱ, উতলা।

১৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) ভাব সম্প্ৰসাৰণ কৰা :

এশ গৰু মাৰিলে বাঘৰো মৃত্যু হয়।

(খ) তোমাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পুথিভঁৰালৰ অভাবৰ বাবে কি অসুবিধা হৈছে তাক জনাই তোমাৰ বিদ্যালয়ৰ প্ৰধানলৈ তুমি ছাত্ৰ-ছাত্ৰী একতা সভাৰ সম্পাদক/সম্পাদিকা হিচাবে এখনি আবেদন লিখা।

(আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

(গ) বানপানীৰ বাবে তোমাৰ অঞ্চলৰ বিদ্যালয়সমূহৰ ঘৰ-দুৱাৰ, আচবাব আদি নষ্ট হোৱাত সেইবোৰৰ মেৰামতিৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় বাতৰি কাকতৰ সম্পাদকলৈ এখন প্ৰতিবেদন লিখা।

১৬। তলত দিয়া যি কোনো এটা বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) তোমাৰ প্ৰিয় গ্ৰন্থ
(আৰম্ভণি—গ্ৰন্থৰ বিষয়বস্তু—ভাল লগাৰ কাৰণ—সামৰণি)

(খ) অসমৰ বানপানী
(আৰম্ভণি—বানপানীৰ কাৰণ—প্ৰতিৰোধৰ উপায়—সামৰণি)

(গ) পৰিৱেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ
(আৰম্ভণি—প্ৰদূষণৰ কাৰণ—প্ৰতিকাৰ—সামৰণি)

১৭। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ২×২=৪

(ক) "তুমি গাঁৱৰ কথাবোৰ মোক কোৱাই নাই নহয়।"—কথাষাৰ কোনে, কাক কৈছিল? ইয়াৰ উত্তৰত বক্তাই কোনবোৰ কথা শুনিবলৈ পাইছিল?

(খ) "তুমি মোক বচালা প্ৰেৰণা।"
—কথাষাৰৰ বক্তা কোন? কি প্ৰসংগত উক্ত কথাষাৰ বক্তাই কবলগীয়া হৈছিল?

(গ) প্ৰেৰণাই কি কাৰণে ৰাষ্ট্ৰপতিলৈ চিঠি লিখিবলৈ ইচ্ছা কৰিছিল?

১৮। তলৰ যি কোনো দুটা চৰিত্ৰৰ চমু পৰিচয় দিয়া : ২×২=৪

(ক) আইতা

(খ) সৌৰভ

(গ) প্ৰশান্ত



BELLAL HOSSAIN MONDAL

## GROUP—B

## (খ—বিভাগ)

(মূল্যাংক : ২৫)

১৯। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) 'স্বৰ্গদেৱ প্ৰতাপ সিংহ' পাঠটি কোনখন বুৰঞ্জীৰ পৰা অনা হৈছে?

(খ) 'বিষাদ যোগ' পাঠটিৰ মূল কি?

(গ) অৰ্জুনৰ ধনুখনৰ নাম কি?

২০। তলৰ যি কোনো তিনিটাৰ চমু উত্তৰ লিখা : ২×৩=৬

(ক) "তোৰ যদি কুকুৰা পোৱালিটো হানি হয় তাৰ বধে মোকে পাব আৰু যদি বঙালৰ মূক্ষ-মূক্ষ দুই-চাৰি কাটি আহিব তাক বৰগোহাঁই পাতিম ।"
—কথাষাৰৰ বক্তা কোন? বক্তাই কাক বৰগোহাঁই পাতিব বুলি আশা দিছে?

(খ) মোমাই তামুলি বৰবৰুৱাক বজাই কিয় বন্দীশালত এবছৰ থৈছিল, বুজাই লিখা।

(গ) অৰ্জুনে শ্ৰীকৃষ্ণক উভয় সেনাৰ মাজত ৰথ ৰাখিবলৈ কিয় কৈছিল?

(ঘ) ভট্টদেৱে কবিৰত্ন আৰু ভাগৱত ভট্টাচাৰ্য্য উপাধি কিয় লাভ কৰে?

২১। তলৰ যি কোনো দুটা প্ৰশ্নৰ অতি চমু উত্তৰ লিখা : ১×২=২

(ক) দৈৱকী উদৰে উদয় যোহি দেৱা
—ইয়াত 'যোহি দেৱা' বুলি কাক কৈছে?

(খ) কপিল মুনিৰ মাতৃ কোন?

(গ) শ্ৰীৰাম ৰাইৰ প্ৰকৃত নাম কি?

BELLAL HOSSAIN MONDAL

২২। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ৩×২=৬

(ক) "কথাক কহন্তে ক্ৰন্দন আসয়
যত অপমান পাওঁ।"
—ইয়াত কোনে, কি অপমান পোৱাৰ কথা কোৱা হৈছে?

(খ) কৃষ্ণই বিভিন্ন সময়ত কি কি অৱতাৰ ৰূপ ধাৰণ কৰি কেনে কাৰ্য সাধন কৰিছিল, পাঠৰ সহায়ত বুজাই লিখা।

(গ) অঘাসুৰ কোন? তেওঁ কি ৰূপ ধাৰণ কৰি কৃষ্ণক মাৰিবলৈ আহিছিল? তেওঁক কোনে, কেনেকৈ হত্যা কৰিলে?

২৩। তলত দিয়া যি কোনো দুটা শব্দৰ আধুনিক ৰূপ লিখা : ১×২=২
তৰণে, উতপাটক, বিগুটিয়া।

২৪। তলৰ বাক্যটি শুদ্ধকৈ লিখা : ১
তোমাৰ দেউতা আহিছে।

২৫। 'হ'বলা' অনুসৰ্গ ব্যৱহাৰ কৰি এটি বাক্য লিখা। ১

২৬। তলৰ শব্দ দুটাৰ একোটাকৈ সমাৰ্থক শব্দ লিখা : ১
পদুম, ঘাঁহ।

২৭। তলৰ যি কোনো দুটাৰ চমু টোকা লিখা : ২×২=৪

(ক) ছবি

(খ) ঝুমুৰা

(গ) লেচাৰি

(ঘ) ঝুনা

BELLAL HOSSAIN MONDAL

## GROUP—C

## (গ—বিভাগ)

## (মূল্যাংক : ২৫)

1. Translate **_any two_** of the following in your mother language : 4×2=8

তলৰ যি কোনো দুটা তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

(a) गदापाणिः पतिव्रतायाः भार्यायाः जयमत्याः अनुरोधात् नगाचलम् आरोहत्। तत्र सः आत्मानं गोपायन् सनिर्वेदं प्राणान् अरक्षत्।

(b) एकदा महावीरः आलेकजेण्डारः भारतवर्षम् अभिभवति स्म। तदानीं पंचनद-प्रदेशः क्षुद्रराज्ये विभक्तः आसीत्। बहवः राजानः भयात् आलेकजेण्डारस्य वश्यताम् अगच्छत्।

(c) श्येनः आह—न वयं पर-हत-पिशित-भुजः, किन्तु यावन्मात्रम् इदं कपोतमांसं तुलितं भवति तावत् मे स्वमांसं प्रयच्छ इति।

2. Answer **_any one_** of the following : 2

তলৰ যি কোনো এটাৰ উত্তৰ লিখাঁ :

(a) What is the characteristic of greatness according to 'नीतिमाला'?

'नीतिमाला' ৰ মতে মহত্ত্বৰ লক্ষণ কি?

(b) What are the six sources of happiness for a worldly man?

জাগতিক মানুহৰ ছটা সুখৰ উৎস কি কি?

3. Answer **_any one_** of the following questions : 2

তলৰ প্ৰশ্নবোৰৰ যি কোনো এটাৰ উত্তৰ লিখাঁ :

(a) What was the punishment Lachit meted out to his मातुलम्?

লাচিতে তেওঁৰ মোমায়েকক কি শাস্তি দিছিল?

(b) What was the agreement between the lion and all other animals?

সিংহ আৰু অন্যান্য পশুবোৰৰ মাজত কি চুক্তি হৈছিল?



BELLAL HOSSAIN MONDAL

(c) ''महावीर! राजानं प्रति राजोचितव्यवहारः कार्यः।''

Who is the speaker of this line and to whom? What is meant by the word 'राजोचितव्यवहार'?

কোনে, কাক উক্ত কথাষাবি কৈছিল? 'राजोचितव्यवहार' শব্দটোৱে কি বুজোৱা হৈছে?

4. Fill in the blanks in the following verse with appropriate words : 3

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰা :

विकशति यदि पद्मं _____ शीलायाम्।
न भवति _____ भाषणं _____ ॥

Or / নাইবা

_____ धनसम्पत्तिः _____।
_____ किमु यत्र चतुष्टयम् ॥

5. (a) Derive **any two** of the following words : 1½×2=3

তলৰ যি কোনো দুটা পদৰ ব্যুৎপত্তি লিখা :

(i) अरक्षत् in Q. No. 1 (a)

1 নং (a) প্ৰশ্নত 'अरक्षत्'

(ii) अभिभवति in Q. No. 1 (b)

1 নং (b) প্ৰশ্নত 'अभिभवति'

(iii) आसीत् in Q. No. 1 (b)

1 নং (b) প্ৰশ্নত 'आसीत्'

(iv) आह in Q. No. 1 (c)

1 নং (c) প্ৰশ্নত 'आह'

BELLAL HOSSAIN MONDAL

(b) Decline **any two** of the following : 1×2=2

তলৰ যি কোনো দুটাৰ শব্দৰূপ লিখা :

(i) गज in 3rd case-ending singular

'गज' তৃতীয়া বিভক্তিৰ একবচনত

(ii) मुनि in 6th case-ending plural

'मुनि' ষষ্ঠী বিভক্তিৰ বহুবচনত

*(iii)* नदी in 2nd case-ending dual
'नदी' দ্বিতীয়া বিভক্তিৰ দ্বিবচনত

*(iv)* युष्मद् in 5th case-ending singular
'युष्मद्' পঞ্চমী বিভক্তিৰ একবচনত

*(c)* Conjugate ***any two*** of the following : 1×2=2
তলৰ যি কোনো দুটাৰ ধাতুৰূপ লিখাঁ :

*(i)* √पठ् + लोट् आनि

*(ii)* √अद् + लट् सि

*(iii)* √हन् + लङ् अन्

*(iv)* √दा + लृट् स्यन्ति

*(d)* Frame adjectives from ***any two*** of the following nouns : 1½×2=3

তলৰ যি কোনো দুটা বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

नीति ; वेद ; शरीरम् ; वर्षम्।

***

BELLAL HOSSAIN MONDAL